নিৰ্ভীক নিৰপেক্ষ
অসমীয়া খবৰৰ ক্ৰীড়া

# পক্ষপাতিত্বৰ অভিযোগ ঃ ভৱিষ্যতে জে পি এলত অংশ নলয় কে আৰ আৰে

ষ্টাফ ৰিপ'ৰ্টাৰ, ১২ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ জজ খেলপথাৰত চলি থকা জৈন প্ৰিমিয়াৰ লীগ (জে পি এল) নামৰ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাখনৰ ছেমি ফাইনেলৰ এক সিদ্ধান্তত ক্ষুণ্ণ হৈ কেদাৰ ৰোড ৰাইডাৰ্ছ (কে আৰ আৰ) নামৰ দলটোৱে ভৱিষ্যতে প্ৰতিযোগিতাত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছে। মেচখনৰ আম্পায়াৰে দিছপুৰ দলৰ পক্ষপাতিত্ব কৰাৰ অভিযোগ তুলিছে দলটোৱে। পূৰ্বৰ তিনিখন মেচৰ কে আৰ আৰৰ নিয়মীয়া বলাৰ তৰুণ জৈনক হঠাতে ছেমি ফাইনেলত কোনো কাৰণ নোহোৱাকৈ বলিং কৰাত নিষিদ্ধ কৰা হয়। কে আৰ আৰ দলৰ অধিনায়কৰ মতে মেচখনত ছেমি ফাইনেলৰ অন্তিমটো বলত আম্পায়াৰে ৬ৰ পৰিৱৰ্তে ৪ৰহে নিৰ্দেশ দিয়ে। কিন্তু বাস্তৱত দলটোৱে তেতিয়াও ২ ৰাণ কৰিবলৈ বাকী আছিল। এনেবোৰ কথাত অসন্তুষ্ট হৈ কেদাৰ ৰোডৰ দলটোৱে জে পি এল টুৰ্ণামেণ্টৰ তৃতীয় স্থান নিৰ্ণয়কাৰী খেলত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছে। দলটোৰ এই আপত্তি সংশোধন কৰিবলৈ আয়োজক শ্ৰীদিগম্বৰ জৈন যুথ ফেডাৰেচনৰ কৰ্মকৰ্তাসকল মান্তি নোহোৱাত তেওঁলোকে ভৱিষ্যতে এই টুৰ্ণামেণ্ট বৰ্জন কৰাৰ কথা ঘোষণা কৰিছে।